# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 10-12-2025 **Time :** 0900Hrs.

## Headlines

১। ঐতিহাসিক অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদৰ স্মৃতিত শ্ৰদ্ধা জনাই আজি ৰাজ্যজুৰি শ্বহীদ দিৱস পালন।

২। অসমত ভোটাৰ তালিকাৰ বিশেষ সংশোধনী প্ৰক্ৰিয়া ৰূপায়ণক লৈ নিৰ্বাচন আয়োগ আৰু ৰাজ্য চৰকাৰলৈ উচ্চতম ন্যায়ালয়ৰ জাননী জাৰি।

৩। ইন্দিগ’ বিমান সেৱাৰ বিপৰ্যয়ক লৈ অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ৰ বিমান পৰিবহণ সংস্থাটোলৈ কাৰণ দৰ্শোৱাৰ জাননী।

৪। কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনলৈ এমজিএনৰেগাৰ অধীনত ৪ হাজাৰ ৯৭৫ কোটিৰো অধিক পুঁজি মুকলি।

*আৰু*

৫। দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাত ভাৰতৰ সুখকৰ পাতনি। ১০১ ৰানৰ বিশাল ব্যৱধানত জয়লাভ।

০০০০০০০

ঐতিহাসিক অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদৰ স্মৃতিত শ্ৰদ্ধা জনাই আজি ৰাজ্যজুৰি শ্বহীদ দিৱস পালন কৰা হৈছে।

গান

অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ এই আন্দোলনত অংশ লৈ বহু লোকে জীৱন হেৰুৱাইছিল। বহু লোক কাললৈ ঘূণীয়া হৈছিল। ১৯৮৫ চনত অসম চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে অসম আন্দোলনৰ পৰিসমাপ্তি ঘটিছিল যদিও অসম আন্দোলনৰ ছহিদসকলে প্ৰাপ্য স্বীকৃতিৰ পৰা বঞ্চিত হৈছিল। শেহতীয়াকৈ অসম চৰকাৰৰ উদ্যোগত অসম আন্দোলনৰ ছহিদসকলৰ প্ৰকৃত সংখ্যা নিৰূপণ কৰা হ’ল আৰু তেওঁলোকৰ তথ্য প্ৰণালীবদ্ধভাৱে সংৰক্ষণ কৰা হ’ল। এই প্ৰয়াসৰ অংশ হিচাপে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত প্ৰায় ১০০ কোটি টকা ব্যয়সাপেক্ষে ছহিদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হ’ল আৰু এই কাম সম্পূৰ্ণ হৈ উঠিল। এই ছহিদ স্মাৰকত মুঠ ৮৬০গৰাকী ছহিদৰ বহুসংখ্যকৰে প্ৰতিচ্ছবি সংৰক্ষণ কৰা হৈছে আৰু তেওঁলোকৰ আত্মবলিদানৰ বিষয়ে খোদিত কৰা হৈছে। অৱশেষত শ্বহীদসকলৰ ত্যাগৰ প্ৰতি প্ৰদৰ্শন কৰা এই স্বীকৃতিয়ে শ্বহীদ পৰিয়ালসমূহক আনন্দিত কৰি তুলিছে। ১৯৭৯ চনৰ আজিৰ দিনটোতে ভৱানীপুৰত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ গৈ প্ৰাণ হেৰুওৱা খৰ্গেশ্বৰ তালুকদাৰৰ স্মৃতিত শ্ৰদ্ধা জনাই এই দিনটোক শ্বহীদ দিৱস হিচাপে পালন

কৰিবলৈ লোৱা হৈছিল। আজি আমি অসম আন্দোলনৰ প্ৰথমগৰাকী স্বীকৃত শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ ভাতৃ চন্দ্ৰ কুমাৰ তালুকদাৰৰ অনুভৱ প্ৰচাৰ কৰিবলৈ লৈছো –

বাইট

(গান)

শ্বহীদ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম বৰাগাঁৱত নিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰৰ উদ্বোধন কৰিব। অসমত আন্দোলনৰ ৮৬০ গৰাকী জাতীয় শ্বহীদৰ স্মৃতিত ১৭০ কোটি টকা ব্যয়েৰে ১৫০ বিঘাৰো অধিক ভূমি সামৰি এই স্মাৰক ক্ষেত্ৰ আৰু শ্বহীদ স্তম্ভ সাজি উলিওৱা হৈছে। কালি মুখ্যমন্ত্ৰীয়ে স্মাৰক ক্ষেত্ৰত শ্বহীদ প্ৰণাম জ্যোতি প্ৰজ্বলন কৰে। লগতে ৮৬০ গছি বন্তি প্ৰজ্বলন কৰি অসম আন্দোলনৰ বীৰ শ্বহীদসকললৈ শ্ৰদ্ধা নিবেদন কৰা হয়। মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, বিমল বৰা, পীয়ুষ হাজৰিকা আৰু জয়ন্ত মল্ল বৰুৱাৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বৰ উপৰি ৰাজ্য চৰকাৰৰ কেইবাগৰাকী জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। সংবাদ মাধ্যমৰ সন্মুখত মন্তব্য কৰি ডঃ শৰ্মাই কয়, যে স্মাৰক ক্ষেত্ৰখন অসমীয়া জাতি বিশ্বৰ বুকুত গৌৰৱেৰে জীয়াই থকাৰ সংকল্পৰ এটা প্ৰতীক আৰু জাতিৰ বাবে প্ৰেৰণাৰ কেন্দ্ৰ হৈ থাকিব। মুখ্যমন্ত্ৰীয়ে লগতে শ্বহীদ স্মাৰক ক্ষেত্ৰৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ উপৰি ৰাজ্যৰ সকলো জিলাত তথা সমজিলা সদৰত আয়োজন কৰা শ্বহীদ দিৱসৰ কাৰ্যসূচীত সকলোকে ভাগ ল'বলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে, শ্বহীদ দিৱসৰ আজিৰ কেন্দ্ৰীয় কাৰ্যসূচীত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

ৰাজ্যৰ প্ৰতিখন জিলাতে জিলা প্ৰশাসনৰ উদ্যোগত ভিন্ন কাৰ্যসূচীৰে শ্বহীদ দিৱস পালন কৰা হৈছে।

সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় শ্বহীদ দিৱসৰ কাৰ্যসূচীত সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ ব্যৱস্থাপনাত গান্ধী খেলপথাৰ, কুঁৱৰীটোলত অনুষ্ঠিত হৈছে। অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ বিষয়ববীয়াকে ধৰি নগাঁও জিলা আয়ুক্ত, নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্যকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। সন্ধিয়ালৈ সন্মিলিত শিল্পী সমাজ, কলিয়াবৰৰ দ্বাৰা পাৰিজাত হৰণ ভাওনা প্ৰদৰ্শন কৰা হ'ব।

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আৰু ৰঙিয়া সম জিলাৰ সহযোগত ৰঙিয়া মহাবিদ্যালয় খেল পথাৰত দিনৰ ১১ বজাৰ পৰা শ্বহীদ দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত ৪ হাজাৰ লোকে একেলগে সুধাকণ্ঠৰ 'শ্বহীদ প্ৰণামো তোমাক' গীতটি পৰিৱেশন কৰিব।

গোৱালপাৰা জিলাতো জিলা প্ৰশাসনৰ উদ্যোগত গোৱালপাৰা চহৰৰ পি আৰ চৰকাৰী উচ্চতৰ আৰু বহুমুখী বিদ্যালয়ত দিনজোৱা কাৰ্যসূচীৰে শ্বহীদ দিৱস পালন কৰা হ'ব।

ধুবুৰী জিলা প্ৰশাসনৰ উদ্যোগতো প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত দিনজোৱা কাৰ্যসূচীৰে শ্বহীদ দিৱস পালন কৰিবলৈ লোৱা হৈছে। কাইলৈ বিলাসীপাৰা সমজিলা প্ৰশাসনে চহৰখনৰ আই এম এ মিনি ষ্টেডিয়ামত শ্বহীদ দিৱসৰ কাৰ্যসূচী পালন কৰাৰ বাবে প্ৰস্তুতি চলাইছে।

oooooooo

অসমত ভোটাৰ তালিকাৰ বিশেষ পুংখাংনুপুংখ সংশোধনীৰ পৰিৱৰ্তে বিশেষ সংশোধনী প্ৰক্ৰিয়া ৰূপায়ন কৰাক লৈ উচ্চতম ন্যায়ালয়ে নিৰ্বাচন আয়োগ আৰু ৰাজ্য চৰকাৰলৈ জাননী জাৰি কৰিছে। এই সন্দৰ্ভত

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছ'চিয়েচনৰ সভাপতি মৃণাল কুমাৰ চৌধুৰীয়ে যোৱা ১ ডিচেম্বৰত ন্যায়ালয়ত দাখিল কৰা লেখ আবেদনৰ শুনানি গ্ৰহণ কৰি কালি ন্যায়ালয়ে এই জাননী জাৰি কৰে। মুখ্য ন্যায়াধীশ সূৰ্যকান্ত আৰু ন্যায়াধীশ জয়মাল্য বাগচিৰে গঠিত খণ্ড বিচাৰপীঠে কালি দেশৰ নিৰ্বাচন আয়োগৰ লগতে অসম চৰকাৰলৈ জাননী জাৰি কৰি এসপ্তাহৰ ভিতৰত শপতনামা দাখিলৰ নিৰ্দেশ দিয়ে। লেখ আবেদনকাৰীক প্ৰতিনিধিত্ব কৰা জ্যেষ্ঠ অধিবক্তা বিজয় হানচাৰিয়াই অসমত বিশেষ পুংখাংনুপুংখ সংশোধনীৰ কিয় প্ৰয়োজন নাই বুলি প্ৰশ্ন উত্থাপন কৰে। অসমৰ বাবে প্ৰযোজ্য  নাগৰিকত্ব সংশোধনী বিশেষ আইনৰ ছয় (ক) ধাৰা তথা বিদেশী ন্যায়াধীকৰণ থকাৰ বাবে নিৰ্বাচন আয়োগে এই সন্দৰ্ভত ভিন্ন পন্থা অৱলম্বন কৰিব পাৰে যদিও এই ক্ষেত্ৰত আয়োগৰ বক্তব্য শুনাৰ প্ৰয়োজন আছে বুলি মুখ্য ন্যায়াধীশ সূৰ্যকান্তই প্ৰকাশ কৰে। উল্লেখযোগ্য যে ইতিপূৰ্বে নিৰ্বাচন আয়োগে অহা ১ জানুৱাৰীক ভিত্তি বৰ্ষ হিচাপে লৈ অসমত ভোটাৰ তালিকাৰ সংশোধনীৰ নিৰ্দেশ দিছিল আৰু এই প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। এই প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পাছত অহা বছৰৰ ১০ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব বুলি কোৱা হৈছিল।

০০০০০০০০

যোৱা পহিলা ডিচেম্বৰৰ পৰা বাতিল আৰু উৰণ-অৱতৰণৰ বিলম্ব হোৱা ঘটনাক লৈ অসামৰিক বিমান পৰিবহন সঞ্চালকালয়ে বিমান পৰিবহন সংস্থাটোলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। ইয়াৰ লগতে এই ঘটনাৰ কঠোৰ তদন্ত আৰম্ভ কৰা হৈছে। তদন্তৰ ফলাফল অনুসৰি বিমান সেৱা নীতি আৰু আইন অনুসৰি কঠোৰ আৰু যথাযথ ব্যৱস্থা লোৱা হ'ব। ইপিনে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এন ডি এৰ এখন বৈঠকত সাংসদসকলক উদ্দেশি কয়, যে সাধাৰণ নাগৰিকসকলৰ অসুবিধা হোৱাকৈ কোনো বোজা হৈ উঠা উচিত নহয়। কালি সদনত এই বিষয়টোলৈ আলোচনা অনুষ্ঠিত হয়। আলোচনাত ভাগ লৈ কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰামমোহন নাইডুয়ে ইণ্ডিগো বিমান সেৱা শীঘ্ৰে স্বাভাৱিক হ'ব আৰু সুৰক্ষা ব্যৱস্থাক লৈ আপোচ কৰা নহ'ব বুলি স্পষ্ট কৰি দিয়ে।

উল্লেখযোগ্য যে, ইণ্ডিগো বিমান সেৱাৰ ক্ষেত্ৰভিত্তিক পৰিস্থিতিৰ বুজ ল'বলৈ কেন্দ্ৰীয় চৰকাৰৰ অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ৰ উপ-সঞ্চালক বিজয় প্ৰতাপ সিং কালি গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হয়। বিমানৰ উৰণ-অৱতৰণত হোৱা খেলি-মেলিৰ বাবে যাত্ৰীসকলে সন্মুখীন হোৱা দুৰ্ভোগৰ বুজ ল'বলৈ উপ-সঞ্চালকগৰাকীয়ে যাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰে। ইয়াৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীসিঙে কয় যে কেন্দ্ৰীয় চৰকাৰে এই বিষয়ত যাত্ৰীৰ সুবিধা আৰু সুৰক্ষাকে অগ্ৰাধিকাৰ দিছে। তৎসত্বেও যাত্ৰীসকলে সন্মুখীন হোৱা এই পৰিস্থিতি অতি দুৰ্ভাগ্যজনক বুলি মন্তব্য কৰি তেওঁ ভৱিষ্যতে ইয়াৰ পুনৰাবৃত্তি নঘটাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হ'ব বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে বিমান বাতিলৰ ফলত ইণ্ডিগো বিমান কৰ্তৃপক্ষই ইতিমধ্যে দেশজুৰি ৮২৭ কোটি টকা যাত্ৰীসকলক ঘূৰাই দিছে।

০০০০০০০০

কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰালয়ে অসমকে ধৰি উত্তৰপূৰ্বাঞ্চলৰ ৰাজ্য কেইখনলৈ এম জি এনৰেগাৰ অধীনত ৪হাজাৰ ৯৭৫কোটি ৮২ লাখ টকাৰ পুঁজি মুকলি কৰিছে। ইয়াৰে এহেজাৰ ৫০৮ কোটি ৪০ লাখ টকা অসমলৈ আৰু ৯১৭ কোটিৰো অধিক টকা মণিপুৰলৈ আগবঢ়োৱা হৈছে। অনুৰূপ ধৰণে বাকী ৰাজ্য কেইখনৰ মাজত কিছু কম বেছিকৈ এই ধনৰাশি বিতৰণ কৰা হৈছে। লোকসভাত কালি কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ

সিং চৌহানে এই কথা সদৰী কৰে। কংগ্ৰেছ্ সাংসদ হৰিশ চন্দ্ৰ মিনাৰ এটা প্ৰশ্নৰ উত্তৰত শ্ৰীচৌহানে প্ৰকাশ কৰে যে- ২০২৫-২৬ বিত্তীয় বৰ্ষৰ ৩ ডিচেম্বৰলৈ অসম তথা উত্তৰপূৰ্বাঞ্চললৈ এই ধনৰাশিৰ লগতে দেশৰ ৩৪খন ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চললৈ ৭০ হাজাৰ কোটিৰো অধিক পুঁজি মোকলাই দিয়া হৈছে।

০০০০০০০০

কটন বিশ্ববিদ্যালয়ৰ সমাৱৰ্তনত গণশিল্পী জুবিন গাৰ্গক মৰোনোত্তৰ ভাৱে প্ৰদান কৰা ডী লিট সন্মান তেওঁৰ ভগ্নী পামি বৰঠাকুৰে গ্ৰহণ কৰে। এই বাতৰিটোক গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।কেন্দ্ৰই ইন্দিগৰ বিমান চলাচলৰ সংখ্যা ১০% কৰ্তন কৰিছে। এই বাতৰিটোক The Assam Tribune আৰু দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সমাগত অসম বিধান সভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যত নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ কৰাৰ সিদ্ধান্তৰ বিৰুদ্ধে দাখিল হোৱা এখন আবেদনৰ শুনানি গ্ৰহণ কৰি উষ্চতম ন্যায়ালয়ে আয়োগলৈ জাননী জাৰি কৰিছে। এই বাতৰিটোক The Assam Tribune কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। মাতৃৰ জাতিৰ ভিত্তিত সন্তানক অনুসূচিত জাতিৰ মৰ্য্যাদা প্ৰদান কৰিছে উষ্চতম ন্যায়ালয়ে। এই বাতৰিটোক দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। শিলঘাটৰ অসম সমবায় মৰাপাট কল এসপ্তাহ ধৰি বন্ধ হৈ থকাত অচলাৱস্থাৰ সৃষ্টি হৈছে। এই বাতৰিটোক আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দেশৰ অসামৰিক বিমান পৰিবহণ খণ্ডত আদানি গ্ৰুপে প্ৰবেশৰ কৌশল ৰচনা কৰা হৈছে বুলি অসমীয়া প্ৰতিদিন কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান , অসমৰ কাৰ্য্যবাহী সঞ্চালক হিচাপে ডাঃ অভিজিত শৰ্মাক নিযুক্তি দিয়া হৈছে। অসমীয়া খবৰ কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কেন্দ্ৰই ইন্দিগৰ বিমান চলাচলৰ সংখ্যা ১০% কৰ্তন কৰিছে। এই বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যত শীঘ্ৰে অনুষ্ঠিত হব বিশেষ TET পৰীক্ষা। এই বাতৰিতোক দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। জনজাতিকৰণক লৈ মন্ত্ৰীগোটৰ প্ৰতিবেদন সন্দৰ্ভত টাই আহোম সকল শংকাৰ সন্মুখীন হৈছে।

০০০০০০০০

গুৱাহাটী মহানগৰীৰ এ বি চিৰ সোহম এম্পৰিয়াত যোৱানিশা সংঘটিত অগ্নিকাণ্ডত বিস্তৰ ক্ষতি হয়। অট্টালিকাটোৰ প্ৰথম মহলাত অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটাৰ পাছত প্ৰায় ছটাকৈ মহলা জুইয়ে ছানি ধৰে। পুৱা পৰ্যন্ত অগ্নি নিৰ্বাপক বাহিনী আৰু উদ্ধাৰকাৰী দলে জুই নুমুওৱাৰ চেষ্টা কৰি আছে যদিও সম্পূৰ্ণৰূপে অগ্নি নিৰ্বাপন কৰিবলৈ সমৰ্থ হোৱা নাই। অট্টালিকাটোৰ দ্বিতীয় মহলাত থকা ভাৰতীয় ষ্টেটবেংকৰ কেইবাটাও শাখাত অগ্নিকাণ্ডৰ ফলত ব্যাপক ক্ষতি হৈছে।

০০০০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰা শল্য চিকিৎসা বিভাগৰ অধ্যাপক ডাঃ অভিজিৎ শৰ্মাক ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ নতুন কাৰ্যবাহী সঞ্চালক হিচাপে নিযুক্তি দিয়া হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে কালি এটা নিৰ্দেশ যোগে এই নিযুক্তি প্ৰদান কৰে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ পূৰ্বৰ কাৰ্যবাহী সঞ্চালক ডাঃ মনোজ কুমাৰ চৌধুৰী চিকিৎসা শিক্ষা বিভাগৰ ভাৰপ্ৰাপ্ত

সঞ্চালকৰূপে নিযুক্তি দিয়াৰ পাছত তেওঁৰ স্থানত ডাঃ শৰ্মাক নিযুক্তি দিয়া হৈছে। অহা ১৫ ডিচেম্বৰত ডাঃ শৰ্মাই দায়িত্বভাৰ গ্ৰহণ কৰিব।

oooooooo

দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে শেহতীয়া এদিনীয়া শৃংখলাত জয়লাভ কৰি আত্মবিশ্বাসী হৈ থকা ভাৰতে টি-টুৱেণ্টি শৃংখলাৰ প্ৰথমখন খেলতো কালি অদমনীয় প্ৰদৰ্শনেৰে উজ্জ্বলি উঠে। কটকৰ বাৰাবতী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ভাৰতে আলহী দলটোক ১০১ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰে। দক্ষিণ আফ্ৰিকাৰ আমন্ত্ৰণ মৰ্মে প্ৰথম বেট ধৰিবলৈ নমা ভাৰতে নিৰ্ধাৰিত অভাৰত ৬টা উইকেট হেৰুৱাই ১৭৫ ৰান কৰে। হাৰ্দিক পাণ্ডিয়াই ২৮টা বলত ৪টা ৬ আৰু ৬টা চাৰিৰ সহায়ত ৫৯ ৰানৰ বিস্ফোৰক ইনিংছ খেলি অপৰাজিত হৈ ৰয়। প্ৰত্যুত্তৰত আৰম্ভণিৰে পৰা উইকেট হেৰুৱাই বিপদত পৰা দক্ষিণ আফ্ৰিকাই মাত্ৰ ৭৪ ৰানতে ইনিংছ সামৰে। হাৰ্দিক পাণ্ডিয়াক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। শৃংখলাৰ পৰৱৰ্তী খেলখন পৰহিলৈ চণ্ডীগড়ৰ মুল্লানপুৰত খেলোৱা হ'ব।

oooooooo

সমাপ্ত